# ৰাছীয়াৰ উপ প্ৰধানমন্ত্ৰীৰ প্ৰধানমন্ত্ৰীক সাক্ষাৎ ।

জুন ১৯,২০১৬

ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ তৰফৰ পৰা শুভেচ্ছা জ্ঞাপন কৰাৰ আৰু ভাৰত আৰু ৰাছীয়াৰ মাজত থকা বিশেষ তথা বিশেষাধিকাৰ ৰণনীতিপূৰ্ণ অংশাদাৰিত্বক আৰু অধিক শক্তিশালী তথা গভীৰ কৰি তোলাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে একেলগে কাম কৰাৰ অভিলাষ পূৰ্ণ বাৰ্তা কঢ়িয়াই অনা ৰাছীয়াৰ উপ প্ৰধানমন্ত্ৰী দ্মিট্ৰি ৰোগোজিনে( Dmitri Rogozin) প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে । প্ৰদানমন্ত্ৰী গৰাকীয়ে ৰাছীয়াক সময়-পৰিক্ষাৰ আৰু বিশ্বাসযোগ্য বন্ধু দেশ বুলি আখ্যা দি কয় যে দেশ খনে ভাৰতৰ জটীল পৰিস্থিতিৰ সময়ত সদায়েই কাষত থাকি সমৰ্থন আগবঢ়াই অহাৰ উপৰিও ভাৰতৰ সুৰক্ষা ক্ষেত্ৰত যোগ্যতা গঢ়ি তোলাৰ বিষয়ত দেশ খনে মুখ্য অংশীদাৰিত্বৰ ভূমীকা অৱলম্বন কৰি আহিছে আৰু সেয়ে ভাৰতবৰ্ষত ৰাছীয়াই অশেষ শুভেচ্ছা উপভোগ কৰি আহিছে । প্ৰধানমন্ত্ৰী গৰাকীয়ে ৰাছীয়াৰ সৈতে থকা সম্বন্ধক এক উচ্চস্তৰলৈ আগবঢ়াই নিয়াৰ ইচ্ছা প্ৰকাশ কৰে ।তেওঁ শেহতীয়া ভাৱে ১৪ জুন তাৰিখে আইএনএচ বিক্ৰমাদিত্যা( INS) ভ্ৰমন কৰাৰ বিষয়ে উল্লেখ কৰাৰ লগতে ভাৰতৰ নৌবাহিনীৰ যোগ্যতাৰ ক্ষেত্ৰত এক বৃহৎ উল্লেখনীয় অৱদানৰ বাবে ৰাছীয়াৰ উপ প্ৰধানমন্ত্ৰী ৰোগোজিনৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰে ।ৰাষ্ট্ৰপতি পুটিনৰ সৈতে এক গঠনমুলক,বিষয়বস্তুৰ গুৰুত্ব বহন কৰা আৰু আগলৈ চোৱা বিষয়ৰ শীৰ্ষ সন্মিলনত মিলিত হোৱাৰ বাবে আশা ৰাখিছে ।

নতুন দিল্লী

জুন ১৯,২০১৪